# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-07-2024
**Time :** 0900 Hrs

## *Assamese Morning Bulletin*
## HEADLINES

১। ৰাজ্যত বান পৰিস্থিতিৰ জটিল ৰূপ ধাৰণ। ২৮ খন জিলাৰ ১১ লাখৰো অধিক লোক ক্ষতিগ্ৰস্ত। চলিত বৰ্ষৰ বানত এই পৰ্যন্ত ৩৮ জন লোকৰ মৃত্যু। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাকে ধৰি কেইবাগৰাকীও মন্ত্ৰীৰ ক্ষতিগ্ৰস্ত অঞ্চল পৰিদৰ্শন।

২। বিশ্ব ঐতিহ্য ক্ষেত্ৰ কাজিৰঙাৰ লগতে মানস আৰু ওৰাং ৰাষ্ট্ৰীয় উদ্যান বানৰ কবলত। পৰিস্থিতি অধিক জটিল হ'লে অতিৰিক্ত ১০০ জন বনকৰ্মীক কাজিৰঙাত মোতায়েন কৰা হ'ব বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

৩। বৃক্ক ৰোগীক সুলভ আৰু উন্নত মানসম্পন্ন চিকিৎসা প্ৰদানৰ বাবে বিভিন্ন জিলাত চৰকাৰী ডায়ালাছিছ কেন্দ্ৰ স্থাপন কৰা হ'ব বুলি মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ৰ প্ৰকাশ।

*আৰু*

৪। অহা ২৭ জুলাইৰ পৰা কোকৰাঝাৰকে ধৰি দেশৰ ৪ খন চহৰত ১৩৩ সংখ্যক ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতা।

০০০০০০০

ৰাজ্যত বান পৰিস্থিতিয়ে ক্ৰমাৎ জটিল ৰূপ ধাৰণ কৰিছে। ৰাজ্যিক দুৰ্যোগ প্ৰশমন কৰ্তৃপক্ষই জাৰি কৰা তথ্য অনুসৰি ৰাজ্যৰ মুঠ ২৮ খন জিলা বৰ্তমানলৈ বানৰ কবলত পৰিছে। আনহাতে এই জিলাসমূহৰ মুঠ দুহেজাৰ ২০৮ খন গাঁৱৰ ১১ লাখ ৩৪ হাজাৰৰো অধিক লোক বানত ক্ষতিগ্ৰস্ত হৈছে। তদুপৰি বানৰ ফলত ৰাজ্যৰ ৪২ হাজাৰ ৪৭৬ হেক্টৰ কৃষি ভূমি পানীত বুৰ গৈছে। বান পীড়িতসকলক আশ্ৰয় আৰু সাহায্য আগবঢ়াবলৈ চৰকাৰ আৰু প্ৰশাসনে বৰ্তমানে ১৩০টা সাহায্য শিবিৰ সক্ৰিয় কৰি ৰাখিছে। এই শিবিৰসমূহত এতিয়ালৈকে ১৮ হাজাৰ ৪৫৯ জন বানপীড়িতই আশ্ৰয় গ্ৰহণ কৰিছে। চৰকাৰী তথ্য অনুসৰি চলিত বৰ্ষৰ বানত এই পৰ্যন্ত ৩৮ জন লোকৰ মৃত্যু হৈছে।

উল্লেখযোগ্য যে, অসমৰ উপৰিও চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশত হৈ থকা ধাৰাসাৰ বৰষুণৰ ফলত ব্ৰহ্মপুত্ৰৰ লগতে অন্যান্য নৈ-উপনৈসমূহ ওফন্দি ঠায়ে ঠায়ে মথাউৰি ছিগি বিভিন্ন অঞ্চল বুৰাই পেলাইছে। দুলীয়াজান সমষ্টিৰ টেঙাখাট হাতীবন্ধা ঘুমতলত বুঢ়ীদিহিং নৈৰ কাষতে থকা মথাউৰিটোৰ কালি প্ৰায় ৫০ মিটাৰ অংশ চিগি যোৱাৰ ফলত দাঁতি কাষৰীয়া বিভিন্ন অঞ্চল বানত বুৰ যায়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশ ক্ৰমে কালি নিশাৰ ভাগতে মন্ত্ৰী ৰঞ্জিত দাসে মথাউৰিটো পৰিদৰ্শন কৰি জিলা প্ৰশাসনক অধিক তৎপৰতাৰে বানপীড়িত ৰাইজৰ বাবে স্থাপন কৰা আশ্ৰয় শিবিৰত খাদ্য-পানী-ঔষধ আদিৰ লগতে পশুধনৰ বাবেও আহাৰ যোগান ধৰিবলৈ নিৰ্দেশ দিয়ে।

ইপিনে, কালি নিশা কলিয়াবৰৰ কলংমুখত হাতীমূঢ়া মথাউৰিৰ ছিগা অংশ পৰিদৰ্শন কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ভগ্ন মথাউৰি অংশত জিঅ' বেগৰ জৰিয়তে পানীৰ প্ৰকোপ যথাসম্ভৱ হ্ৰাসৰ ব্যৱস্থা গ্ৰহণৰ লগতে বানত ক্ষতিগ্ৰস্ত ৰাইজক পৰ্যাপ্ত খাদ্য তথা জৰুৰী সাহায্য সামগ্ৰী প্ৰদানৰ বাবে নগাঁৱৰ জিলা আয়ুক্তক নিৰ্দেশ দিয়ে। ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে গোলাঘাটত উপস্থিত হৈ জিলাখনৰ বিভিন্ন অঞ্চলৰ বান পৰিস্থিতিৰ বুজ লয়।

ইফালে, মুখ্যমন্ত্ৰীৰ নিৰ্দেশ ক্ৰমে, বিমল বৰা, ডাঃ ৰণোজ পেগু, পীযুষ হাজৰিকা, সঞ্জয় কিষানকে ধৰি কেইবাগৰাকীও মন্ত্ৰীয়ে বানৰ কবলত পৰা অঞ্চলসমূহ পৰিদৰ্শন কৰি প্ৰশাসনক যুদ্ধকালীন ক্ষিপ্ৰতাৰে উদ্ধাৰ অভিযান আৰু বানপীড়িতক সাহায্য প্ৰদান অব্যাহত ৰাখিবলৈ নিৰ্দেশ দিয়ে।

০০০০০০০

সাম্প্ৰতিক বানে ৰাজ্যৰ কেইবাখনো ৰাষ্ট্ৰীয় উদ্যান আৰু অভয়াৰণ্যলৈ সংকট কঢ়িয়াই আনিছে। ইতিমধ্যে বিশ্ব ঐতিহ্য ক্ষেত্ৰ কাজিৰঙাৰ লগতে মানস আৰু ওৰাং ৰাষ্ট্ৰীয় উদ্যানো বানৰ কবলত পৰিছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ মুঠ ২২৩টা বন শিবিৰৰ ১৬৩টা জলমগ্ন হৈ থকাৰ লগতে বানৰ বাবে উদ্যানৰ অন্তৰভাগৰ ৯টা বন শিবিৰৰ বনকৰ্মীৰ স্থানান্তৰ কৰা হৈছে। বানৰ ফলত ইতিমধ্যে এটা গঁড়ৰ পোৱালি আৰু চাৰিটা অন্য জন্তুৰ মৃত্যু হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি কাজিৰঙাৰ বান পৰিস্থিতিৰ বুজ লৈ এন ডি আৰ এফ আৰু পশু চিকিৎসা বিভাগক সক্ষম হৈ থকাৰ নিৰ্দেশ দিয়ে। তেওঁ লগতে বান পৰিস্থিতি অধিক জটিল হ'লে ডেৰগাঁৱত প্ৰশিক্ষণৰত ১০০ জন বনকৰ্মীক কাজিৰঙাত মোতায়েন কৰা হ'ব বুলিও অৱগত কৰে। আনহাতে ৰাষ্ট্ৰীয় উদ্যানখনৰ পৰা কাৰ্বি পাহাৰত প্ৰৱেশ কৰা বন্য জীৱ-জন্তুক যাতে দুৰ্বৃত্তই নিধন কৰিব নোৱাৰে সেই সম্পৰ্কে কাৰ্বি আংলং জিলাৰ আয়ুক্ত আৰু আৰক্ষী অধীক্ষকৰ লগতে কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ সৈতে আলাপ-আলোচনা কৰা বুলিও মুখ্যমন্ত্ৰীয়ে ব্যক্ত কৰে।

মানস ৰাষ্ট্ৰীয় উদ্যানতো বান পৰিস্থিতি অপৰিৱৰ্তিত হৈ আছে। বানৰ বাবে উদ্যানখনৰ পৰা বহু জীৱ-জন্তু নিৰাপদ স্থান বিচাৰি ওলাই অহা পৰিলক্ষিত হৈছে। ইপিনে, চিৰাঙৰ বেংতলৰ টুক্ৰাঝাৰৰ আই নৈৰ বাঢ়নী পানীত উটি অহা এটা বনৰীয়া হাতী পোৱালি  কালি স্থানীয় লোকৰ সহযোগত বন বিভাগৰ লোকে উদ্ধাৰ কৰে। বৰ্তমানে হাতী পোৱালিটোক মানস ৰাষ্ট্ৰীয় উদ্যানত চিকিৎসা প্ৰদান কৰি থকা হৈছে।

ইফালে, ব্ৰহ্মপুত্ৰৰ লগতে ধনশ্ৰী আৰু পাঁছ নৈৰ জলপৃষ্ঠ বৃদ্ধি হোৱাত ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰো প্ৰায় ৭০ শতাংশ অঞ্চল প্লাৱিত হোৱা বুলি জানিব পৰা গৈছে। উদ্যানখনৰ দক্ষিণ দিশৰ পৰা ব্ৰহ্মপুত্ৰ আৰু ধনশ্ৰী নৈৰ লগতে পাঁছ নৈৰ বাঢ়নী পানীয়ে উদ্যানখনৰ ভিতৰত প্ৰৱেশ কৰাত বন্য জীৱ-জন্তুৰ প্ৰতি ভাবুকি আহি পৰিছে। বৰ্তমানে উদ্যানখনৰ ৫০টা বনশিবিৰৰ ভিতৰত ২০টা জলমগ্ন হৈ আছে।

০০০০০০০

গুৱাহাটীত ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ ক্ৰমান্বয়ে বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত সম্ভাব্য বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি প্ৰশাসনে সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰিছে। মহানগৰীখনত ব্ৰহ্মপুত্ৰৰ পানী বিপদসীমাৰ ওপৰেৰে বৈ থকাৰ লগতে ফেৰীঘাটসমূহ কালি পানীত বুৰ যায়। ফাঁচী বজাৰত থকা বীৰ লাচিত বৰফুকনৰ প্ৰতিমূৰ্তি আৰু কালীপুৰৰ চক্ৰেশ্বৰ মন্দিৰৰ লক্ষ্মী-নাৰায়ণৰ মূৰ্তিৰ ভালেখিনি অংশও বাঢ়নী পানীয়ে ঢাকি ধৰিছে। আনহাতে, ব্ৰহ্মপুত্ৰৰ জলস্তৰ বিপজ্জনকভাৱে বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত আভ্যন্তৰীণ জল পৰিবহন বিভাগে গুৱাহাটী আৰু উত্তৰ গুৱাহাটীৰ মাজৰ যাত্ৰীবাহী ফেৰী সেৱা কালিৰে পৰা অনিৰ্দিষ্ট কালৰ বাবে বাতিল কৰিছে।

০০০০০০০

ৰাজ্যিক কেবিনেটৰ সাপ্তাহিক বৈঠক আজি দিছপুৰত অনুষ্ঠিত হ'ব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি বন্যাৰ্ত কৃষকক কঠিয়া যোগান, বানত ক্ষতি হোৱা গৃহৰ মেৰামতি, ক্ষতিগ্ৰস্ত বাট-পথৰ মেৰামতিকে ধৰি ৰাজ্যখনৰ শেহতীয়া বান পৰিস্থিতিৰ বিষয়ে বৈঠকত আলোচনা কৰা হ'ব।

মুখ্যমন্ত্ৰীয়ে লগতে কয় যে বানত ক্ষতিগ্ৰস্ত ৰাইজক সাহায্য প্ৰদানৰ ক্ষেত্ৰত কোনো ধৰণৰ আপোচ নকৰিবলৈ জিলা প্ৰশাসনসমূহক নিৰ্দেশ দিয়া হৈছে। আনহাতে, ডিব্ৰুগড় আৰু যোৰহাটত ব্ৰহ্মপুত্ৰৰ পানী ক্ৰমান্বয়ে কমিবলৈ লোৱা বুলি উল্লেখ কৰি অৰুণাচল প্ৰদেশৰ পাছিঘাট আৰু উজনি অসমত বৰষুণ নহ'লে পৰিস্থিতি শীঘ্ৰেই উন্নত হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে।

0000000

ভাৰতীয় বতৰ বিজ্ঞান কেন্দ্ৰই অসম, মেঘালয় আৰু উত্তৰাখণ্ডত ধাৰাসাৰ বৰষুণৰ আগজাননীৰে ৰাজ্য কেইখনত ৰেড এলাৰ্ট জাৰি কৰিছে। কেন্দ্ৰটোৱে হিমাচল প্ৰদেশ, পঞ্জাৱ, হাৰিয়ানা, চণ্ডীগড়, উত্তৰ প্ৰদেশ, ৰাজস্থান, বিহাৰকে ধৰি উত্তৰ ভাৰতৰ বিভিন্ন প্ৰান্তত অহা তিনি-চাৰিদিনলৈ ধাৰাসাৰ বৰষুণ হ'ব বুলিও সম্ভাৱনা ব্যক্ত কৰিছে। ইফালে, বৰঝাৰস্থিত আঞ্চলিক বিজ্ঞান কেন্দ্ৰই আজিৰে পৰা অহা ৬ জুলাইলৈ ৰাজ্যৰ কেইবাখনো জিলাত ধাৰাসাৰ বৰষুণ হ'ব বুলি আগলি বতৰা দিছে। আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই জানিবলৈ দিয়া মতে, চিৰাং, বাকছা, ধুবুৰী, দক্ষিণ শালমাৰা, মানকাচৰ, গোৱালপাৰা, নলবাৰী, বঙাইগাঁও, দৰং, ওদালগুৰি, মৰিগাঁও, নগাঁও, পশ্চিম কাৰ্বি আংলং, লখিমপুৰ, ধেমাজি আদিকে ধৰি বিভিন্ন জিলাত অহা চাৰিটা দিনত গাজনি ঢেৰেকনিৰে প্ৰবল বৃষ্টিপাত হোৱাৰ সম্ভাৱনা আছে। আনহাতে, বতৰৰ এনে প্ৰতিকূলতাই পৰৱৰ্তী সময়ত ৰাজ্যৰ বান পৰিস্থিতি অধিক জটিল কৰি তুলিব বুলি আশংকা কৰা হৈছে।

0000000

ৰাজ্যৰ কেইবাখনো জিলা বানৰ কবলত পৰাৰ পৰিপ্ৰেক্ষিতত অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদে আজি আৰম্ভ হ'বলগীয়া ৰাজ্যিক মুক্ত বিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ পৰীক্ষা পৰৱৰ্তী নিৰ্দেশ নিদিয়া পৰ্যন্ত স্থগিত ৰাখিছে। এই সন্দৰ্ভত শিক্ষা সংসদৰ সচিবে জাৰি কৰা নিৰ্দেশনাত কয় যে, বান পৰিস্থিতি উন্নত হোৱাৰ পাছতে নতুনকৈ পৰীক্ষা অনুষ্ঠিত কৰা হ'ব। এনে পৰিস্থিতিত পৰীক্ষা কেন্দ্ৰৰসমূহৰ ভাৰপ্ৰাপ্ত বিষয়াক উকা উত্তৰ বহীকে ধৰি পৰীক্ষাৰ সকলো গোপনীয় সা-সামগ্ৰী থানা আৰু কোষাগাৰত সুৰক্ষিতভাৱে ৰাখিবলৈ শিক্ষা সংসদে নিৰ্দেশনাটোত উল্লেখ কৰিছে।

0000000

বৃক্ক ৰোগীৰ বাবে সুলভ আৰু মানসম্পন্ন চিকিৎসাৰ বৰ্ধিত চাহিদা পূৰণৰ বাবে ৰাজ্য চৰকাৰে অচিৰেই বিভিন্ন জিলাত ৩৫টা ডায়েলাইছিচ কেন্দ্ৰ স্থাপন কৰিব। সমগ্ৰ ৰাজ্যতে স্বাস্থ্য সেৱাৰ আন্তঃগাঁথনি উন্নত কৰাৰ লগতে অত্যাৱশ্যকীয় চিকিৎসা সেৱা প্ৰদানৰ বাবে ৰাজ্য চৰকাৰে অব্যাহত ৰখা প্ৰচেষ্টাৰ অংশ স্বৰূপে এই পদক্ষেপ গ্ৰহণ কৰা হ'ব। মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ৰ তৰফৰ পৰা জানিবলৈ দিয়া মতে, এই পদক্ষেপৰ জৰিয়তে ডিব্ৰুগড়, তিনিচুকীয়া, কাছাৰ, বৰপেটা, কামৰূপ মহানগৰ, কামৰূপ, নগাঁও আৰু গোৱালপাৰা জিলাত দুটাকৈ তথা ধেমাজি, চৰাইদেউ, হোজাই, যোৰহাট, শোণিতপুৰ, বিশ্বনাথ, বজালী, শিৱসাগৰ, বঙাইগাঁও, চিৰাং, কৰিমগঞ্জ, হাইলাকান্দি, গোলাঘাট, লখিমপুৰ, তামুলপুৰ আৰু কোকৰাঝাৰত এটাকৈ ডায়েলাইছিচ কেন্দ্ৰ স্থাপন কৰা হ'ব।

0000000

অসম চৰকাৰে থেলাচেমিয়া ৰোগত আক্ৰান্ত লোকসকলক সকাহ দিয়াৰ বাবে ২০২২ চনত গ্ৰহণ কৰা কাৰ্যসূচীৰ অধীনত সম্প্ৰতি ৩টা প্ৰধান বিষয়ত গুৰুত্ব আৰোপ কৰা হৈছে। ইয়াৰ অধীনত প্ৰতি মাহে প্ৰয়োজনীয় ৰক্ত উপলব্ধ কৰাৰ উপৰি ১৪ বছৰৰ তলৰ থেলাচেমিয়া ৰোগীৰ অভিভাৱকক বিত্তীয় সাহায্য প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। এনে ৰোগীৰ অভিভাৱকক শিশুটিৰ ১৪ বছৰ নোহোৱা পৰ্যন্ত প্ৰতি বছৰে ১০ হাজাৰ টকাকৈ প্ৰদানৰ দিহা কৰা হৈছে। ইয়াৰ ফলত ৬৩৩টা পৰিয়াল সম্প্ৰতি উপকৃত হৈছে। তদুপৰি সুৰক্ষিত ৰক্ত সঞ্চাৰণৰ বাবে সংৰক্ষিত বিচনাৰো ব্যৱস্থা কৰিবলৈ ৰাজ্য চৰকাৰৰ স্বাস্থ্য বিভাগে নিৰ্দেশ দিছে। এই অনুসৰি প্ৰতিখন জিলা চিকিৎসালয়ত দুখনকৈ আৰু চিকিৎসা মহাবিদ্যালয় হাস্পতালত ৪খনকৈ বিছনা থেলাচেমিয়া ৰোগীয়ে ৰক্ত গ্ৰহণ কৰিব পৰাকৈ সংৰক্ষিত কৰি ৰখাৰ ব্যৱস্থা কৰা হৈছে।

০০০০০০০

শিক্ষা মন্ত্ৰালয়ৰ বিদ্যালয় শিক্ষাৰ সাক্ষৰতা বিভাগে প্ৰতি বছৰে ৫ ছেপ্তেম্বৰত শিক্ষক দিৱস উপলক্ষে প্ৰদান কৰা ৰাষ্ট্ৰীয় শিক্ষক বঁটাৰ বাবে এই বছৰো যোগ্য শিক্ষকৰ পৰা অনলাইন যোগে স্ব-মনোনয়ন বিচৰা হৈছে। অহা ২৭ জুনৰ পৰা শিক্ষা মন্ত্ৰালয়ৰ পোৰ্টেলৰ জৰিয়তে যোগ্য শিক্ষকসকলে স্ব-মনোনয়ন দাখিল কৰিব পাৰিব। মনোনয়ন দাখিলৰ অন্তিম তাৰিখ হৈছে ১৫ জুলাই। শিক্ষা মন্ত্ৰালয়ে এটা বিবৃতি যোগে সদৰী কৰা তথ্য অনুসৰি এইবাৰ জিলা, ৰাজ্য আৰু ৰাষ্ট্ৰীয় মুঠ তিনিটা পৰ্যায়ত বাছনি প্ৰক্ৰিয়াৰ জৰিয়তে ৫০ গৰাকী শিক্ষকক বাছি উলিওৱা হ'ব। অহা ৫ ছেপ্তেম্বৰত নতুন দিল্লীৰ বিজ্ঞান ভৱনত হ'বলগীয়া এটা অনুষ্ঠানত ৰাষ্ট্ৰপতিয়ে এই বঁটা প্ৰদান কৰিব। উল্লেখযোগ্য যে, কঠোৰ, স্বচ্ছ আৰু অনলাইন নিৰ্বাচনৰ জৰিয়তে দেশৰ শ্ৰেষ্ঠ শিক্ষকসকলক বাছনি কৰা এই বঁটাৰ উদ্দেশ্য হৈছে শিক্ষকসকলৰ অনন্য অৱদানক উদযাপন কৰা।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাজ্যসভাত ৰাষ্ট্ৰপতিৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱ সম্পৰ্কীয় আলোচনাত উত্তৰ দিব।

ইয়াৰ পূৰ্বে লোকসভাৰ কাৰ্যক্ৰমণিকা কালি অনিৰ্দিষ্ট কাললৈ স্থগিত ৰখা হয়। নিম্ন সদনে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকত দিয়া ভাষণৰ প্ৰতি ধন্যবাদসমূক প্ৰস্তাৱ গ্ৰহণ কৰাৰ পাছতে অধ্যক্ষ ওম বিৰলাই এই কথা ঘোষণা কৰে। শ্ৰীবিৰলাই কয় যে অধিবেশনৰ সময়ছোৱাত ১০৩ শতাংশ কাৰ্য সম্পন্ন হয়। এই অধিবেশনত মুঠ ৫৩৯ গৰাকী সাংসদে শপত গ্ৰহণ কৰে বুলি তেওঁ জানিবলৈ দিয়ে। উল্লেখযোগ্য যে যোৱা ২৪ জুনত আৰম্ভ হোৱা এই অধিবেশন আজি সমাপ্ত হোৱাৰ কথা আছিল।

০০০০০০০

এছিয়াৰ আটাইতকৈ প্ৰাচীন তথা বিশ্বৰ তৃতীয় পুৰণি ফুটবল প্ৰতিযোগিতা ডুৰাণ্ড কাপৰ ১৩৩ সংখ্যক সংস্কৰণ অহা ৭ জুলাইত আৰম্ভ হ'ব। ভাৰতীয় সেনাই আয়োজন কৰা এই প্ৰতিযোগিতা এইবাৰ অসমৰ কোকৰাঝাৰৰ লগতে শ্বিলং, জামছেদপুৰ আৰু কলকাতাকে ধৰি দেশৰ ৪ খন চহৰত অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে, এইবাৰৰ প্ৰতিযোগিতাত মুঠ ২৪টা দলে অংশগ্ৰহণ কৰিব।

০০০০০০০

চলিত ইউৰো কাপ ফুটবল প্ৰতিযোগিতাৰ অহা ৫ জুলাইত হ'বলগা প্ৰথমখন কোৱাৰ্টাৰ ফাইনেলত দুটা প্ৰাক্তন বিশ্ব চেম্পিয়ন দল জাৰ্মানী আৰু স্পেইন পৰস্পৰৰ মুখামুখি হ'ব। ইফালে, সেইদিনাই হ'বলগা আন এখন কোৱাৰ্টাৰ ফাইনেলত প্ৰাক্তন বিশ্ব চেম্পিয়ন ফ্ৰান্সে ইউৰো কাপৰ চেম্পিয়ন পৰ্টুগালৰ বিৰুদ্ধে খেলিব। ইংলেণ্ড অহা ৬ জুলাইত হ'বলগা কোৱাৰ্টাৰ ফাইনেলত ছুইজাৰলেণ্ডৰ মুখামুখি হোৱাৰ বিপৰীতে অন্তিমখন কোৱাৰ্টাৰ ফাইনেল নেডাৰলেণ্ডছ আৰু তুৰস্কৰ মাজত অনুষ্ঠিত হ'ব।

০০০০০০০

গ্ৰেণ্ড শ্লেম টেনিছ প্ৰতিযোগিতা উইম্বলডনত তাৰকা খেলুৱৈ নভাক জকভিছে জয়েৰে অভিযান আৰম্ভ কৰিছে। যোৱানিশা  হোৱা প্ৰথম ৰাউণ্ডৰ খেলত জকভিছে ৬-১, ৬-২ আৰু ৬-২ ৰ ব্যৱধানত জয় লাভ কৰে। ইফালে, পুৰুষৰ একক শাখাৰ প্ৰথম ৰাউণ্ডৰ অন্য এখন খেলত জেৰভে ৬-২, ৬-৪ আৰু ৬-২ৰ ব্যৱধানত জয়লাভ কৰে। আনহাতে, মহিলাৰ একক শাখাৰ প্ৰথম ৰাউণ্ডৰ খেলত ইগাই ৬-৩, ৬-৪ৰ ব্যৱধানত জয়লাভ কৰি প্ৰত্যাশিত আৰম্ভণি কৰে। উল্লেখযোগ্য যে, খিতাপ প্ৰত্যাশি আলকাৰেজৰ লগতে ডানিল, অছাকা, গ'ফ আদি তাৰকা খেলুৱৈসকলেও প্ৰতিযোগিতাৰ দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে।

০০০০০০০

## *News Paper Review*

০০০০০

বানে ৰাজ্যজুৰি সৃষ্টি কৰা বিভীষিকাময় পৰিস্থিতিৰ বাতৰিক আজি প্ৰকাশিত আটাইকেইখন কাকতেই প্ৰথম পৃষ্ঠাত স্থান দিছে।

উত্তৰ প্ৰদেশৰ হাথৰছৰ এখন ধৰ্মীয় সমাৱেশৰ সময়ত পদপিষ্ট হৈ **১১৬**জন লোকৰ মৃত্যু হোৱাৰ বাতৰিক **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিকে **দি আছাম ট্ৰিবিউন** কাকতেও প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

উপাধ্যক্ষৰ পদ শূন্য ৰাখিয়েই অষ্টাদশ লোকসভাৰ প্ৰথম অধিবেশন অনিৰ্দিষ্টকাললৈ স্থগিত হোৱাৰ বাতৰিক **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

সামুদ্ৰিক ঘূৰ্ণী বেৰিলৰ বাবে বাৰ্বাডোজত আৱদ্ধ হৈ থকা টি-২০ বিশ্বকাপ বিজয়ী ভাৰতীয় দলটো আজি দেশলৈ উভতি আহিবলগীয়া বাতৰিক **আমাৰ অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অসমত খিলঞ্জীয়াৰ সাংবিধানিক ৰক্ষাকৱচ, ৬ জনগোষ্ঠীৰ জনজাতিকৰণ আৰু ৰাজ্যৰ বান আৰু খহনীয়া পৰিস্থিতিক লৈ কালি ৰাজ্যসভাত অগপ দলৰ সাংসদ বীৰেন্দ্ৰপ্ৰসাদ বৈশ্য সৰৱ হোৱাৰ বাতৰিক **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

ৰাজ্যৰ শেহতীয়া বান পৰিস্থিতিৰ বাবে অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ অধীনত আজিৰে পৰা হ'বলগীয়া ৰাজ্যিক মুক্ত বিদ্যালয়ৰ পৰীক্ষাসমূহ সাংসদে অনিৰ্দিষ্ট স্থগিত ৰখাৰ বাতৰিক **দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

বানৰ ফলত ডিব্ৰুগড়ত লুইতৰ হাতীয়ালি চাপৰিত ৩ দিন ধৰি আৱদ্ধ **১৩** গৰাকী মাছমৰীয়া ভাৰতীয় বায়ুসেনাই হেলিকপ্তাৰেৰে উদ্ধাৰ কৰাৰ বাতৰিক **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। একেটা বাতৰিকে **দৈনিক জনমভূমি** কাকতেও প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

বানপীড়িত লোকসকলক খাদ্য সামগ্ৰী, অনাময় আদিৰ ক্ষেত্ৰত বিনামূলীয়া সাহায্য আগবঢ়োৱাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে **১২০** কোটি টকা মুকলি কৰি দিয়াৰ বাতৰিক **দ্যা চেণ্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

এয়াই আছিল আজি প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিৰ চমু অৱলোকন।

০০০০০

# সমাপ্ত